# অধ্যায় ৯ ঃ আধুনিক ভাৰতীয় সাহিত্যৰ বিবিধ ধাৰা

## অধ্যায় গাঁথনি


৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ আধুনিক ভাৰতীয় সাহিত্যৰ পটভূমি

৯.৩.১ প্ৰাৰম্ভিক সময়ৰ সাহিত্য (ঊনবিংশ শতিকা)

৯.৩.২ প্ৰাক্-স্বাধীনতা কালৰ সাহিত্য (বিংশ শতিকাৰ আৰম্ভণীৰ পৰা ১৯৪৭ লৈকে)

৯.৩.৩ স্বৰাজোত্তৰ কালৰ সাহিত্য

৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৫ অধিক জানিবলৈ

৯.৬ অগ্ৰগতিৰ খতিয়ান

৯.৭ আৰ্হি প্ৰশ্ন


## ৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ লগতে বাংলা আৰু হিন্দী সাহিত্যৰ বিবিধ ধাৰা সম্পৰ্কে এটি ধাৰণা লাভ কৰিব
- অসমীয়া, বাংলা আৰু হিন্দী সাহিত্যৰ প্ৰাৰম্ভিক কালৰ পটভূমি সম্পৰ্কে জানিব পাৰিব
- এই তিনিটা ভাষাৰ প্ৰাক্-স্বাধীনতা আৰু স্বৰাজোত্তৰ কালৰ সাহিত্যৰ এটি সংক্ষিপ্ত ধাৰণা লাভ কৰিব।

## ৯.২ পৰিচয়

এইটো 'ভাৰতীয় সাহিত্য অধ্যয়ন' শীৰ্ষক পাঠ্যবিষয়টিৰ দ্বিতীয় খণ্ডটোৰ প্ৰথম অধ্যায়। ইয়াৰ আগলৈকে আমি যিখিনি ভাৰতীয় সাহিত্যৰ প্ৰতিনিধিত্বমূলক সাহিত্য অধ্যয়ন কৰিলোঁ সেই সকলোখিনিয়েই আছিল ব্ৰজবুলি বা ব্ৰজাৱলী ভাষাৰ অন্তৰ্ভুক্ত সাহিত্য— পদ বা কবিতা। এতিয়াৰ পৰাহে আমি আধুনিক ভাৰতীয় ভাষাৰ সাহিত্য সম্পৰ্কে অধ্যয়ন কৰিম। আধুনিক ভাৰতীয় ভাষাৰ সাহিত্যপাঠ অধ্যয়ন কৰাৰ পূৰ্বে ইয়াৰ পটভূমি আৰু ধাৰা সম্পৰ্কে চমুকৈ অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা আছে। সেয়ে এই অধ্যায়টোত ভাৰতীয় আধুনিক সাহিত্যৰ বিবিধ ধাৰা সম্পৰ্কে চমুকৈ আলোচনা কৰা হ'ব। অৱশ্যে, ইয়াৰ বাবে আমাৰ পাঠ্যবিষয়ত তিনিটা নিৰ্বাচিত ভাষা তথা সেই ভাষাৰ তিনিটা সাহিত্যৰ ধাৰা (গল্প, নাটক, উপন্যাস) নিৰ্ধাৰণ কৰি দিয়া হৈছে।

ভাৰতবৰ্ষ এখন বিশাল দেশ, ইয়াত বিভিন্ন ভাষা-ভাষী মানুহে একতাৰ ডোলেৰে বান্ধ খাই এটি মিশ্ৰ, ঐতিহ্যপূৰ্ণ আৰু বৈচিত্ৰ্যময় সংস্কৃতিৰ গঢ় দিছে। ভাষা-সাহিত্য চৰ্চাই সমাজ জীৱনত যিহেতু এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে, সেয়ে ভাৰতৰ দৰে দেশত প্ৰাদেশিক তথা আঞ্চলিক ভাষাৰ অধ্যয়ন অত্যন্ত জৰুৰী বুলি বিবেচিত হয়। ভাৰতত প্ৰচলন থকা সকলোবোৰ ভাষা-সাহিত্য সম্পৰ্কে এটি অধ্যায়ত আলোচনা কৰা সম্ভৱ নহয়। সেয়ে আমি তিনিটা ভাষা নিৰ্বাচন কৰি এই পাঠ্যবিষয়ত অন্তৰ্ভুক্ত কৰিছোঁ। সেই কেইটা হ'ল — অসমীয়া, বাংলা আৰু হিন্দী। অধ্যায়টোত এই তিনিটা প্ৰতিনিধিত্বমূলক ভাষাৰ আধুনিক সাহিত্যৰ তিনিটা নিৰ্বাচিত সাহিত্যৰ ধাৰা সম্পৰ্কে এটি চমু পৰ্যালোচনা আগ বঢ়োৱা হৈছে। এই আলোচনাত আধুনিক ভাৰতীয় সাহিত্যৰ প্ৰাৰম্ভিক কালৰ পৰা স্বৰাজোত্তৰ কাললৈ সামৰি লোৱা হৈছে।

## ৯.৩ আধুনিক ভাৰতীয় সাহিত্যৰ পটভূমি

'আধুনিক' শব্দটো সাধাৰণতে বৰ বহল অৰ্থত ব্যৱহাৰ কৰা হয়। সেই হিচাপে শব্দটোৱে মধ্যযুগৰ পাছৰ পৰা বৰ্তমানলৈকে এই দীঘলীয়া সময়ছোৱাৰ সাংস্কৃতিক সম্পদক সামৰি লয়। কিন্তু সাহিত্যত 'আধুনিক' শব্দটোৰ তাৎপৰ্য সুকীয়া; 'আধুনিক' শব্দটো নতুনত্বৰ দ্যোতক। 'কোনো এটা বিষয়ে প্ৰচলিত ধাৰা ত্যাগ কৰি নতুন এটা ধাৰা গ্ৰহণ কৰিলেই বিষয়টো আধুনিক বুলি চিহ্নিত হয়।' কিন্তু ইয়াৰ প্ৰধান সম্পৰ্ক সময়ৰ লগত নহয়, কিছুমান অন্তৰ্নিহিত লক্ষণৰ লগতহে। এজন লেখক আধুনিক হয় নে নহয় সেইটো নিৰ্ভৰ কৰে প্ৰধানতঃ তেওঁৰ সাহিত্যৰাজিত প্ৰতিফলিত দৃষ্টিভংগীৰ ওপৰত। গতিকে আধুনিক বা আধুনিকতা শব্দটো গুণবাচক, কালবাচক নহয়। সাহিত্যৰ অন্যান্য ধাৰাৰ দৰে আধুনিকতাৰো এক দৰ্শন অথবা দৃষ্টিভংগী আছে। এই দৰ্শন আৰু দৃষ্টিভংগীৰ লগত জড়িত সাহিত্য হে আধুনিক সাহিত্য।

ভাৰতীয় সাহিত্যত নৱজাগৰণ আৰু আধুনিকতা অভিন্ন। ইউৰোপীয় সাহিত্যৰ আদৰ্শত ভাৰতীয় সাহিত্যত এটা নতুন যুগৰ সূত্ৰপাত হয়। এই যুগটোৱে আধুনিক সাহিত্যৰ যুগ বুলি চিহ্নিত কৰিব পাৰি। অতীতৰ প্ৰতি শ্ৰদ্ধা আধুনিকতাৰ এটি লক্ষণ। সেই কাৰণে ৰোমাণ্টিক আন্দোলনকেই আধুনিক সাহিত্যৰ গুৰি বুলি ধৰাৰ যুক্তি আছে। আনহাতে, ভাৰতীয় সাহিত্য বুলি ক'লে নিৰ্দিষ্ট এটা ভাষাৰ সাহিত্যক বুজা নাযায়। কিয়নো ভাৰতৰ বুকুত অসংখ্য ভাষা-ভাষীৰ মানুহ আছে আৰু প্ৰতিনিয়ত সেই সকলো ভাষাতে সাহিত্য চৰ্চা হৈ আছে। কিন্তু বিভিন্ন ভাষাৰ নিজা নিজা স্বতন্ত্ৰ বৈশিষ্ট্য থাকিলেও ভাৰতীয়ত্বই যেন বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপন কৰি ভাৰতীয় সাহিত্যসমূহক ঐক্যবদ্ধ কৰি ৰাখিছে।

ভাৰতীয় সাহিত্যত আধুনিকতাৰ স্পষ্ট প্ৰতিফলন ঘটে ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত। এই সময়ছোৱাৰ ভিতৰতে অলপ অগা-পিছাকৈ সৰহভাগ আঞ্চলিক ভাষাৰ সাহিত্যই আধুনিকতাৰ পথত অগ্ৰসৰ হয়। অৱশ্যে, আধুনিকতাৰ অন্বেষণ আৰম্ভ হৈছিল ইয়াৰ কেইটামান বছৰৰ আগৰ পৰাই; অৰ্থাৎ ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত। তেতিয়াই কোনো কোনো লেখকৰ ৰচনাৰ মাজেদি

নতুন যুগৰ প্ৰাথমিক দুটা এটা লক্ষণে ভুমুকি মাৰিছিল। ইংৰাজসকলৰ লগত সম্পৰ্ক স্থাপন আৰু প্ৰধানতঃ ইংৰাজী ভাষাৰ শিক্ষাগ্ৰহণে ভাৰতীয় সাহিত্যৰ গতি-প্ৰকৃতি সলনি কৰি দিয়ে। ইয়াৰ পৰাই আধুনিক ভাৰতীয় সাহিত্যৰ সূত্ৰপাত হয়। কলিকাত (অধুনা কলকাতা)ত ১৮০০ চনত ফোৰ্ট উইলিয়াম কলেজ, ১৮১৭ চনত হিন্দু কলেজ আৰু ১৮৫৭ চনত কলকাতা বিশ্ববিদ্যালয়ৰ স্থাপনে এই ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা লয়। তেতিয়াৰ পৰাই মূলতঃ পশ্চিমীয়া জ্ঞানৰ ভাণ্ডাৰ ভাৰতীয়সকলৰ কাৰণে মুকলি হৈছিল। ইংৰাজী শিক্ষা লাভ কৰাৰ ফলস্বৰূপে আমাৰ সাহিত্যত এটা নতুন যুগৰ সূচনা হ'ল। লাহে লাহে গীতি-কবিতা, উপন্যাস, চুটিগল্প, প্ৰবন্ধ আদিৰ জৰিয়তে প্ৰাচ্য লেখকসকলৰ মাজত এক আধুনিক আৰু প্ৰগতিবাদী চিন্তাৰ বহিৰ্প্ৰকাশ ঘটিবলৈ ধৰে।

ঊনবিংশ শতিকাৰ অন্তিম ক্ষণলৈ ভাৰতীয় সাহিত্যৰ ধাৰা, মূলতঃ বাংলা, অসমীয়া, হিন্দী আদি সাহিত্য যথেষ্ট পৈণত হৈছিল; উন্মোচিত হৈছিল সাহিত্যৰ নতুন নতুন গতিপথ। কিন্তু বিংশ শতিকাৰ স্বাধীনতা আন্দোলনৰ ঢৌ আৰু তাৰ পিছত বিশ্বযুদ্ধৰ অভিঘাতে ভাৰতীয় সাহিত্যলৈ সোমোৱাই আনে জাতীয় চেতনা, বাস্তৱতাবোধ আৰু প্ৰগতিবাদী ভাবধাৰাৰ দৰে আধুনিক ধ্যানধাৰণা।

দেশ স্বাধীন হ'ল; কিন্তু দেশ বিভাজনেৰে ৰক্তাক্ত হ'ল সময়। সেই সময়ৰ মৰ্মান্তিক চিত্ৰই বিভিন্ন ভাৰতীয় সাহিত্যত স্থান পালে। বাস্তৱতা আৰু সামাজিক চেতনাই প্ৰাক্-স্বাধীনতাৰ কালতে সাহিত্যত প্ৰৱেশ কৰিছিল যদিও স্বৰাজোত্তৰ কালতহে ই সাহিত্যৰ দুটা প্ৰধান বৈশিষ্ট্যৰূপে চিহ্নিত হ'ল। বাস্তৱবাদৰ ঢৌ উঠাৰ পাছত সাহিত্যিকসকলৰ ৰচনাত লাহে লাহে সোমাই আহে অতিবাস্তৱবাদ, পৰাবাস্তৱতাবাদ, বিনিৰ্মাণ তথা এবছাৰ্ডধৰ্মী বিষয় ভাবনা ।



**জানি থোৱা ভাল**

১৮০০ খ্ৰীষ্টাব্দত ইংৰাজসকলে কলিকতাত প্ৰথমখন কলেজ — 'ফোৰ্ট উইলিয়াম কলেজ' স্থাপন কৰে। এই মহাবিদ্যালয়খন স্থাপনৰ উদ্দেশ্য প্ৰশাসনীয় সংক্ৰান্ত আছিল যদিও, বাংলা গদ্য-ভাষা বিকাশত এই কলেজখনৰ অধ্যাপকসকলে বিশেষ অৰদান আগ বঢ়াইছিল।

## ৯.৩.১ প্ৰাৰম্ভিক সময়ৰ সাহিত্য (ঊনবিংশ শতিকা)

আধুনিক ভাৰতীয় সাহিত্যৰ আদৰ্শত পাশ্চাত্য প্ৰভাৱ থাকিলেও ইয়াৰ অৰ্থ এইটো নহয় যে আমাৰ সাহিত্যত আমাৰ নিজস্ব চিন্তা-চৰ্চা অথবা জীৱনধাৰাৰ প্ৰতিফলন ঘটা নাই। পাশ্চাত্যৰ আৰ্হি গ্ৰহণ কৰিলেও যে আমাৰ সৰহ সংখ্যক লেখকে দেশীয় ঐতিহ্যৰ লগত সংযোগ ৰক্ষা কৰিছিল তাৰ প্ৰমাণ আমি অসমীয়া, বাংলা তথা হিন্দী সাহিত্যৰ শীৰ্ষস্থানীয় কেইগৰাকীমান লেখকৰ সাহিত্য কৰ্মৰ বিচাৰ কৰিলেই দেখা পাওঁ।

আধুনিক অসমীয়া সাহিত্যৰ জন্মৰ আগমুহূৰ্তত খ্ৰীষ্টিয়ান লেখক তথা

*অৰুনোদই*ৰ প্ৰথম সম্পাদক নাথান ব্ৰাউন আৰু ভাষাতাত্ত্বিক মাইলছ ব্ৰনছনৰ অৱদান চিৰস্মৰণীয়। 'অৰুণোদয় যুগ'ৰ তিনি লেখক —আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাই নতুন চিন্তাধাৰাৰে অসমীয়া সাহিত্যক এক নতুন দিশ প্ৰদান কৰিছিল। গুণাভিৰাম বৰুৱাই পাশ্চাত্য সাহিত্যৰ আৰ্হিত প্ৰথম অসমীয়া নাটক — *ৰাম-নৱমী নাটক* ৰচনা কৰিছিল। হেমচন্দ্ৰ বৰুৱা আকৌ অসমীয়া ব্যঙ্গ ৰচনাৰ বাটকটীয়া। তেওঁৰ *কানীয়াৰ কীৰ্ত্তন* পাশ্চাত্য নাটকৰ আৰ্হিত ৰচনা কৰা লঘূ কমেডি; আনহাতে *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী* উপন্যাসধৰ্মী ৰচনা।

অৰুণোদয় যুগতে অসমীয়া আধুনিক সাহিত্যৰ আৰম্ভণি ঘটিছিল যদিও ইয়াৰ বিকাশৰ বাবে সচেতন প্ৰচেষ্টা চলে কলিকতাৰ পৰা প্ৰকাশিত মাহেকীয়া আলোচনী *জোনাকী* (১৮৮৯)ৰ জৰিয়তেহে। পশ্চিমৰ ৰোমাণ্টিক ধাৰাৰ আলোকেৰে এটা নতুন যুগৰ সৃষ্টি হ'ল *জোনাকী*ৰ পোহৰত। এই যুগটোকে অসমীয়া সাহিত্যৰ বুৰঞ্জীত ৰোমাণ্টিক যুগ আখ্যা দিয়া হৈছে। এইখন আলোচনীৰ পাততেই ঊনবিংশ শতিকাৰ শেষ দশকত অসমীয়া চুটিগল্পৰ জন্ম হয়। অৰুণোদয় যুগত হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী*খনে (১৮৭৬) উপন্যাসৰ বৈশিষ্ট্য বহন কৰিলেও *জোনাকী* যুগত ৰচিত পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী* (১৮৯০) আৰু বেজবৰুৱাৰ *পদুমকুঁৱৰী*য়ে সঠিক অৰ্থত উপন্যাস ৰচনাৰ বাট মুকলি কৰে। উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে অসমীয়া উপন্যাসক এক বিশেষ মাত্ৰা প্ৰদান কৰে। তেওঁৰ প্ৰথম উপন্যাস *মিৰি জীয়ৰী* (১৮৯৫) এখন সামাজিক উপন্যাস। তেওঁৰ অন্যান্য উল্লেখযোগ্য উপন্যাসসমূহ প্ৰকাশিত হয় বিংশ শতিকাৰ প্ৰথমাৰ্ধত। অসমীয়া আধুনিক নাটকৰ ক্ষেত্ৰত গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাই বাটকটীয়া আছিল। পৰৱৰ্তী সময়ত লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাইও নাটক ৰচনাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। *জোনাকী*ৰ পাতত বেজবৰুৱাই প্ৰহসনমূলক *লিতিকাই* (১৮৯০) প্ৰকাশেৰে নাট্য ৰচনা আৰম্ভ কৰি পৰৱৰ্তী সময়ত বহু কেইখন নাটক লিখি অৱদান আগ বঢ়ায়। গোহাঞিবৰুৱা অসমীয়া বুৰঞ্জীমূলক নাটকৰ প্ৰৱৰ্তক।

হিন্দী সাহিত্যৰ ক্ষেত্ৰত ঊনবিংশ শতিকাৰ আদিভাগত আধুনিকতাৰ দুটা এটা লক্ষণে ভুমুকি মাৰিছিল যদিও ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত খড়ীবোলী উপভাষাক সাহিত্যৰ মাধ্যম স্বৰূপে গ্ৰহণ কৰা সময়ৰ পৰাহে আধুনিকতাৰ স্পষ্ট প্ৰতিফলন ঘটে। ভাৰতেন্দু হৰিশ্চন্দ্ৰ আধুনিক হিন্দী সাহিত্যৰ বাটকটীয়া। তেওঁৰ হাততেই আধুনিক হিন্দী নাটকৰ ইতিহাস আৰম্ভ হয়। সমাজ সংস্কাৰৰ কাৰণে লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে এখেতেও হাস্য-ব্যঙ্গৰ সহায় লৈছিল। তেওঁ ঊনবিংশ শতিকাৰ শেষ দশকত ভালেখিনি পৌৰাণিক নাটক ৰচনা কৰিছিল।

ঊনবিংশ শতিকাৰ শেষৰ ফালে শ্ৰীনিৱাস দাস ৰচিত *পৰীক্ষা গুৰু* (১৮৮২)ক প্ৰথম হিন্দী উপন্যাস বুলি ধৰা হয়। তাৰ পিছৰ ক্ৰমে দৈৱকীনন্দন ক্ষত্ৰী আৰু

কিশোৰীলাল গোস্বামীয়ে উপন্যাস ৰচনা কৰিছিল যদিও মুন্সি প্ৰেমচন্দ (১৮৮০-১৯৩৬)ৰ হাততহে হিন্দী উপন্যাসে পৈণত অৱস্থা লাভ কৰে। গল্পৰ ক্ষেত্ৰত *সৰস্বতী* আলোচনীত প্ৰকাশিত কিশোৰীলাল গোস্বামীৰ 'ইন্দুমতী' (১৯০০) গল্পৰ পৰাই হিন্দী চুটিগল্পৰ ইতিহাস আৰম্ভ হয়।

ঊনবিংশ শতিকা বাংলা সাহিত্যৰ কাৰণে যথেষ্ট গৌৰৱোজ্জ্বল কাল। ১৮০০ চনৰ পৰাই বাংলা সাহিত্যৰ আধুনিক যুগৰ সূচনা বুলি ধৰা হয়, কাৰণ সেই চনতেই কলকাতাত ব্ৰিটিছৰ দ্বাৰা স্থাপিত হয় ফোৰ্ট উইলিয়াম কলেজ। এই কলেজৰ প্ৰাথমিক উদ্দেশ্য আছিল ইংলেণ্ডৰ পৰা অহা ব্ৰিটিছ বিষয়াসকলক ভাৰতবৰ্ষ তথা ইয়াৰ ভাষা-সংস্কৃতিৰ বিষয়ে সাধাৰণ ধাৰণা প্ৰদান কৰা। এই শিক্ষা মূলতঃ প্ৰশাসনীয় কামকাজৰ কাৰণে জৰুৰী আছিল। ইয়াত বিভিন্ন ভাৰতীয় ভাষাৰ কিতাপ ইংৰাজীলৈ অনুবাদ কৰা হৈছিল। ইয়াতে অধ্যাপনা তথা অনুবাদৰ কামৰ লগত জড়িত উইলিয়াম কেৰী, মৃত্যুঞ্জয় বিদ্যালঙ্কাৰ, ৰামনাথ বাচস্পতি, ৰামৰাম বসু আদি ব্যক্তিসকলে বিভিন্ন ৰচনা আৰু অনুবাদ কৰ্মৰ জৰিয়তে বাংলা গদ্যৰ বিকাশৰ ক্ষেত্ৰত যথেষ্ট অৱদান আগ বঢ়াইছিল।

ইয়াৰ পাছত আধুনিক ভাৰতৰ জনক ৰাজা ৰামমোহন ৰায়ে বাংলা গদ্যত বিভিন্ন অনুবাদ কৰ্ম আৰু প্ৰবন্ধাদি লিখি বাংলা গদ্যভাষাক বহুত আগ বঢ়াই লৈ গ'ল। প্ৰাৰম্ভিক পৰ্যায়ত বাংলা ভাষা-সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত অৱদান আগ বঢ়োৱা আন বিশেষ ব্যক্তিসকল হ'ল — ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, দেবেন্দ্ৰনাথ ঠাকুৰ, ভবানীচৰন বন্দ্যোপাধ্যায়, অক্ষয়কুমাৰ দত্ত, ভূদেব মুখোপাধ্যায়, প্যাৰীচাঁদ মিত্ৰ, কালীপ্ৰসন্ন সিংহ আদি।

বাংলা কবিতাত আধুনিকতাৰ ছাপ আমি প্ৰথম দেখিবলৈ পাওঁ ঈশ্বৰগুপ্তৰ কবিতাত। তেওঁক 'যুগসন্ধিক্ষণৰ কবি' বুলিও কোৱা হয়। ইয়াৰ পিছত কাব্য আৰু নাট্য জগতত মাইকেল মধুসূদন দত্তৰ আকস্মিক আবিৰ্ভাৱে বাংলা সাহিত্যক সমৃদ্ধ কৰি তুলিলে। তেওঁৰ *মেঘনাদ বধ কাব্য (১৮৬১), বীৰাঙ্গনা কাব্য (১৮৬২), ব্ৰজাঙ্গনা কাব্য (১৮৬১),* চতুৰ্দশপদী কবিতা সমূহ আৰু *কৃষ্ণকুমাৰী নাটক (১৮৬১), পদ্মাবতী নাটক (১৮৬০), একেই কী বলে সভ্যতা (১৮৬০), বুড় শালিকের ঘাড়ে ৰোঁ (১৮৬০)* আদি প্ৰহসন বাংলা সাহিত্যৰ অমূল্য সম্পদস্বৰূপ। তদানীন্তন সময়ত ৰচিত দীনবন্ধু মিত্ৰৰ *নীল দৰ্পন (১৮৬০)* আৰু গিৰিশচন্দ্ৰ ঘোষৰ *ৰাসলীলা (১৮৮১), জনা (১৮৯৩)* আদি পৌৰাণিক নাটকসমূহো বিশেষভাৱে উল্লেখযোগ্য।

বাংলা উপন্যাসৰ সূচনা হয় বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ হাতত। তেওঁৰ *দুৰ্গেশনন্দিনী (১৮৬৫)* বাংলা সাহিত্যৰ প্ৰথম সাৰ্থক উপন্যাস বুলি ধৰা হয়। ইয়াৰ উপৰি তেওঁ লিখি উলিয়াইছিল *কপাল কুণ্ডালা, আনন্দমঠ, দেবী চৌধুৰাণী* আদিৰ দৰে বিখ্যাত উপন্যাস। ঊনবিংশ শতিকাৰ শেষ দশকবোৰত ৰবীন্দ্ৰনাথৰ আৱিৰ্ভাবে বাংলা সাহিত্যক এটি নতুন দিগন্তলৈ লৈ যায়। তেওঁৰ হাততেই বাংলা চুটিগল্পৰ জয়যাত্ৰাৰ সূচনা হয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** ইয়াৰ কোনজন ‘অৰুণোদয়’ যুগৰ লেখক নহয়?

(ক) হেমেন বৰগোহাঞি (খ) আনন্দৰাম ঢেকিয়াল ফুকন

(গ) গুণাভিৰাম বৰুৱা (ঘ) হেমচন্দ্ৰ বৰুৱা।

..........................................................................................................

**প্ৰশ্ন নং ২ ঃ** বাংলা ভাষাত লিখা প্ৰথম সাৰ্থক উপন্যাসখনৰ নাম কি? এইখন কোনে লিখিছিল?

..........................................................................................................

**প্ৰশ্ন নং ৩ ঃ** *সৰস্বতী* আলোচনীত প্ৰকাশিত কিশোৰীলাল গোস্বামীৰ কোনটো গল্পৰ পৰা হিন্দী চুটিগল্পৰ সূচনা হয় বুলি ধৰা হয়?

..........................................................................................................

## ৯.৩.২ প্ৰাক্-স্বাধীনতা কালৰ সাহিত্য (বিংশ শতিকাৰ আৰম্ভণীৰ পৰা ১৯৪৭ লৈকে)

বিংশ শতিকাৰ প্ৰাক্ক্ষণত অৰ্থাৎ প্ৰাক্-বিশ্বযুদ্ধৰ সময়ছোৱাত ভাৰতীয় লেখকসকলৰ মনত জাতীয়তাবোধৰ উন্মেষ ঘটিছিল যদিও তেওঁলোক ৰোমাণ্টিকতাৰ প্ৰভাৱৰ পৰা মুক্ত হ’ব পৰা নাছিল। অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাই *জোনাকী*ৰ পাতত যি চুটিগল্পৰ সূচনা কৰিছিল, সেই ধাৰা ক্ৰমান্বয়ে বিস্তৃত হ’বলৈ ধৰিলে। বেজবৰুৱাৰ গল্পসমূহ *সুৰভী* (১৯০৯), *সাধুকথাৰ কুকি* (১৯১০) আৰু *জোনবিৰি* (১৯১৩)— এই তিনিটা গল্প সংকলনত অন্তৰ্ভুক্ত হৈছে। সমালোচক ড° শৈলেন ভৰালীয়ে তেওঁৰ গল্পসমূহৰ বিশেষ দুটা ধাৰাৰ কথা উল্লেখ কৰি কৈছে যে —কিছুমানত হাঁহিৰ ছলেৰে তেওঁ সমাজৰ ভণ্ডামি, গোড়ামি, কুসংস্কাৰ আৰু দুৰ্নীতিক ব্যঙ্গ কৰিছে আৰু আন কিছুমানত জনজীৱনৰ আৱেগ-অনুভূতি সুখ-দুখ, হাঁহি-কান্দোন আদি প্ৰসঙ্গবোৰ সহানুভূতিৰে ৰূপায়ণ কৰিছে।

১৯২৯ চনত দীননাথ শৰ্মাৰ সম্পাদনাৰে কলিকতাৰ পৰা প্ৰকাশ পোৱা *আৱাহন* কাকতৰ পাততে অসমীয়া চুটিগল্পৰ দ্বিতীয়টো স্তৰ আৰম্ভ হয়। *জোনাকী*ৰ পাতত আত্মপ্ৰকাশ কৰা অসমীয়া চুটিগল্পই এই যুগতে ভাববস্তুগত আৰু ৰূপবস্তুগত দিশত বিকাশ লাভ কৰে। ড° শৈলেন ভৰালীয়ে মন্তব্য কৰিছে— “জোনাকী যুগত কবিতাৰ যি জোৱাৰ উঠিছিল আৱাহন যুগত সেই জোৱাৰ উঠে চুটিগল্পৰ ক্ষেত্ৰত। এক অৰ্থত ক’বলৈ হ’লে *আৱাহন*ৰ পাততে অসমীয়া চুটিগল্পই এক বিশিষ্ট তথা জনপ্ৰিয় মাধ্যম হিচাপে চিহ্নিত হয়।” এই যুগৰ প্ৰধান গল্পকাৰসকল হ’ল— নগেন্দ্ৰ নাৰায়ণ

চৌধুৰী, লক্ষ্মীনাথ ফুকন, মহীচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা, হলীৰাম ডেকা, ৰমা দাস, বীণা বৰুৱা, ত্ৰৈলোক্য নাথ গোস্বামী, ৰাধিকা মোহন ভাগৱতী, কৃষ্ণ ভূএগ্ৰা আদি।

বিংশ শতিকাৰ প্ৰাক্-স্বাধীনতাকালীন সময়ছোৱাৰ অসমীয়া উপন্যাস সম্পৰ্কে আলোচনা কৰিলে দেখা যায় যে প্ৰথমছোৱাত ঐতিহাসিক উপন্যাসে আৰু শতাব্দীৰ তৃতীয় দশকৰ পৰা সামাজিক উপন্যাসে বিকাশ লাভ কৰিছিল। অৱশ্যে, এই সময়ছোৱাত ৰজনীকান্ত বৰদলৈক বাদ দি একনিষ্ঠভাৱে উপন্যাস ৰচনাত মনোনিৱেশ কৰা লেখক নাই বুলিলেও ভুল কোৱা নহয়। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে "শামুকীয়া-বুলনতহে উপন্যাস-সাহিত্য আগ বঢ়া দেখা যায়।" অৱশ্যে দ্বিতীয় মহাযুদ্ধৰ পিছৰ পৰাই অসমীয়া উপন্যাস সাহিত্যই জড়তা কাটি নতুন উদ্যমেৰে আগ বাঢ়িবলৈ ধৰে।

গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ প্ৰচেষ্টাত আধুনিক নাটকৰ ধাৰা আৰম্ভ হ'লেও মঞ্চৰ অভাব আৰু আনুষঙ্গিক সমস্যাৰ বাবে সেয়া সিমান সফল হোৱা নাছিল। বিংশ শতিকাৰ প্ৰাৰম্ভিক দশককেইটাত কেইবাজনো নতুন নাট্যকাৰে নাটক লিখি অসমীয়া নাট্য সাহিত্যক নতুন পোহৰ দেখুৱাবলৈ যত্ন কৰে। এই সময়ছোৱাতে আত্মপ্ৰকাশ কৰে আধুনিক অসমীয়া নাটকৰ আটাইতকৈ শক্তিশালী নাট্যকাৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে অসমীয়া চুটিগল্প আৰু উপন্যাস সম্পৰ্কে যোৱা যাণ্মাসিকৰ দ্বিতীয়খন পাঠ্যবিষয়ৰ অষ্টম অধ্যায়ত আপুনি বহলাই অধ্যয়ন কৰি আহিছে। ঠিক সেইদৰে অসমীয়া নাটকৰ ইতিহাস সম্পৰ্কেও এইটো যাণ্মাসিকৰে দ্বিতীয়খন পাঠ্যবিষয়ত অধ্যয়ন কৰিছে। সেয়ে ইয়াত বহলাই আলোচনা কৰা নহ'ল। এইখন পাঠ্যবিষয়ৰ বাবেও আপুনি সেইখিনি পুনৰাই অধ্যয়ন কৰিব।

হিন্দী নাট্য সাহিত্য সম্পৰ্কে বিচাৰ কৰিলে দেখা যায় যে ভাৰতেন্দুৰ পাছতে ঊনবিংশ শতিকাৰ শেষ দশকত ভালেখিনি পৌৰাণিক নাটক ৰচনা হৈছিল যদিও ভাৰতেন্দুৱে আছিল ঊনবিংশ শতিকাৰ একমাত্ৰ শক্তিশালী হিন্দী নাট্যকাৰ। বিংশ শতিকাৰ প্ৰথমাৰ্ধতো হিন্দী নাটকৰ চমকপ্ৰদ উন্নতি দেখিবলৈ পোৱা নাযায়। এই সময়ছোৱাত কবি জয়শঙ্কৰ প্ৰসাদ আৰু দুই-এজনক বাদ দিলে প্ৰসিদ্ধ হিন্দী নাট্যকাৰৰ সংখ্যা হতাশজনক আছিল। অৱশ্যে জয়শঙ্কৰ প্ৰসাদৰ নাম হিন্দী নাটকত স্মৰণীয় হৈ থাকিব। তেওঁৰ *চন্দ্ৰগুপ্ত* (১৯৩১) ঐতিহাসিক নাটকৰূপে চিৰকাল আদৰণীয়।

*সৰস্বতী* আলোচনীত প্ৰকাশিত কিশোৰীলাল গোস্বামীৰ 'ইন্দুমতী' (১৯০০) গল্পৰ পৰাই হিন্দী চুটিগল্পৰ যাত্ৰা আৰম্ভ হয়। এই সময়ছোৱাৰ হিন্দী গল্পকাৰসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল — জয়শংকৰ প্ৰসাদ, মুন্সী প্ৰেমচন্দ, চন্দ্ৰধৰ শৰ্মা গুলেৰি, জ্ঞানেন্দ্ৰ কুমাৰ আৰু অজ্ঞেয়। প্ৰসিদ্ধ গল্পকাৰ জয়শঙ্কৰ প্ৰসাদৰ প্ৰধান গল্পসমূহ *ছায়া* (১৯১২) গল্প সংকলনত অন্তৰ্ভুক্ত হৈছে। হিন্দী চুটিগল্পই চন্দ্ৰধৰ শৰ্মা গুলেৰিৰ 'উসনে কাহা থা'ৰ পৰাই ক্ৰমান্বয়ে পাগত উঠা দেখা যায়। প্ৰেমচন্দৰ 'পঞ্চ পৰমেশ্বৰ' (১৯১৬) গল্পটোও এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। প্ৰেমচন্দৰ পিছত জ্ঞানেন্দ্ৰ কুমাৰ আৰু

অজ্ঞেয়ৰ বৰঙণি হিন্দী গল্প সাহিত্যত স্মৰণীয় হৈ আছে। ত্রিশৰ দশকৰ মাজভাগৰ পৰা মাৰ্ক্সীয় আদৰ্শ আৰু জাতীয়তাবাদৰ প্রভাৱে হিন্দী চুটিগল্পৰ পৰিসৰ বৃদ্ধি কৰে। ঠিক সেইদৰে আমাৰ আলোচ্য সময়ছোৱাৰ প্রধান হিন্দী ঔপন্যাসিক হিচাপে পাওঁ মুন্সী প্রেমচন্দক। তেওঁৰ *সেৱা সদন*-ৰ পৰা *গোদান*লৈ সকলোবোৰ উপন্যাসেই সমসাময়িক সমস্যাক লৈ ৰচিত।

অন্যান্য সাহিত্য ধাৰাৰ তুলনাত এই সময়ৰ বাংলা সাহিত্য-চৰ্চাৰ ধাৰা কিন্তু যথেষ্ট সন্তোষজনক আছিল। ১৮৬৫ চনতেই বঙ্কিমচন্দ্ৰৰ হাতত উপন্যাস ৰচনাৰ যি নতুন ধাৰা আৰম্ভ হৈছিল সেই ধাৰাই ৰবীন্দ্ৰনাথৰ হাতত আৰু ব্যাপক ৰূপ লাভ কৰে। ঊনবিংশ শতিকাৰ শেষ দশকতেই ৰবীন্দ্ৰনাথৰ হাতত বাংলা চুটিগল্পৰ ধাৰা প্রতিষ্ঠিত হয়। কেৱল সেয়াই নহয় *বউ ঠাকুৰাণীৰ হাট* (১৮৮৩) আৰু *ৰাজৰ্ষী* (১৮৮৭) উপন্যাসৰ জৰিয়তে ৰবীন্দ্ৰনাথে ঊনবিংশ শতিকাতেই নিজৰ ঔপন্যাসিক সত্তাৰ প্রতিষ্ঠা কৰিছিল। বিংশ শতিকাত তেওঁৰ উপন্যাসে বাংলা সাহিত্যৰ নতুন দিগন্ত উন্মোচন কৰিলে। *চোখেৰ বালি (১৯০৩), গোৰা (১৯১০), ঘৰেবাইৰে (১৯১৬), শেষেৰ কবিতা (১৯২৯), মালঞ্চ (১৯৩৪)* আদি তেওঁৰ উল্লেখযোগ্য উপন্যাস। চুটিগল্প ৰচনাৰ ক্ষেত্ৰতো তেওঁৰ অবদান স্মৰণযোগ্য। প্রাক্-স্বাধীনতা কালত বাংলা সাহিত্যত আৰু বহুত বিশিষ্ট কথাসাহিত্যিকৰ আত্মপ্রকাশ ঘটে। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য হ'ল — শৰৎচন্দ্ৰ চট্টোপাধ্যায়, বিভূতিভূষণ বন্দ্যোপাধ্যায়, তাৰাশঙ্কৰ বন্দ্যোপাধ্যায়, মানিক বন্দ্যোপাধ্যায়, বনফুল, জগদীশ গুপ্ত, শৰদিন্দু বন্দ্যোপাধ্যায়, সতীনাথ ভাদুড়ী প্রমুখ।

বাংলা নাটকৰ ক্ষেত্ৰতো ৰবীন্দ্ৰনাথৰ প্রসঙ্গ সৰ্বপ্রথমে স্থান পায়। গীতিনাট্য, নৃত্যনাট্য, ৰূপক-সাংকেতিক, সামাজিক নাটক আদি বিভিন্ন ধাৰাৰ নাটক লিখি তেওঁ বাংলা নাট্যধাৰাক চহকী কৰি গৈছে। তেওঁৰ উল্লেখযোগ্য নাটকসমূহ হ'ল *বাল্মীকি প্রতিভা, ডাকঘৰ, মুক্তধাৰা, ৰক্তকৰবী, তাসেৰ দেশ* আদি। ৰবীন্দ্ৰনাথৰ সমসাময়িক দ্বিজেন্দ্ৰলাল ৰায়ও বিভিন্ন ইতিহাসধৰ্মী নাটক লিখি মঞ্চ সফলতা লাভ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধ সমকালীন গণনাট্য-নবনাট্য ধাৰাত কেইবাজনো বিশিষ্ট নাট্যকাৰে বাংলা নাট্যচৰ্চাত নিজৰ অৱদান আগ বঢ়াই থৈ গৈছে, তাৰে ভিতৰত তুলসী লাহিড়ী, বিজন ভট্টাচাৰ্য উল্লেখযোগ্য।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৪ ঃ** ৰবীন্দ্ৰনাথে লিখা দুখন উপন্যাসৰ নাম লিখক।

..............................................................................................

**প্ৰশ্ন নং ৫ ঃ** জয়শঙ্কৰ প্ৰসাদৰ *চন্দ্ৰগুপ্ত* এখন —

(ক) সামাজিক নাটক (খ) পৌৰাণিক নাটক (গ) ঐতিহাসিক নাটক

..............................................................................................

**প্ৰশ্ন নং ৬ ঃ** *নিৰ্মল ভকত* কাৰ ৰচনা আৰু কি ধাৰাৰ সাহিত্য ?

..........................................................................................................

## ৯.৩.৩ স্বৰাজোত্তৰ কালৰ সাহিত্য

স্বৰাজোত্তৰ কালত ভাৰতীয় সাহিত্য ধাৰাত নতুন নতুন বিষয় আৰু ধাৰা সংযোজিত হ'ল। বিশেষকৈ বিশ্বসাহিত্যৰ বিখ্যাত লেখকসকলৰ প্ৰভাৱে নতুন দিশ উন্মোচন কৰিবলৈ ধৰিলে। প্ৰতীকবাদ, চিত্ৰকল্পবাদ, মাৰ্ক্সবাদ, অস্তিত্ববাদ, বিনিৰ্মাণ আদি বিষয়বোৰৰ লগত পৰিচিত হল।

স্বাধীনতা লাভৰ পাছতে আধুনিক অসমীয়া নাটকৰ ইতিহাসত এক নতুন পৰ্যায় আৰম্ভ হ'ল। পৌৰাণিক নাটকৰ ঠাই দখল কৰিলে সমস্যামূলক নাটকে। নতুন নতুন ধাৰাৰ প্ৰৱেশ ঘটিল অসমীয়া নাটকৰ ক্ষেত্ৰখনত। উপন্যাসৰ ক্ষেত্ৰতো ইতিমধ্যে সামাজিক উপন্যাসৰ যুগ মুকলি হৈছিল বীণা বৰুৱাৰ *জীৱনৰ বাটত* (১৯৪৪)ৰ জৰিয়তে। স্বাধীনতাৰ পাছত উপন্যাসে অসমীয়া সাহিত্যত অধিক গুৰুত্ব পালে। ঠিক সেইদৰে চুটিগল্পৰ ক্ষেত্ৰটো নতুন নতুন সম্পৰীক্ষা আৰম্ভ হ'ল। স্বৰাজোত্তৰ কালৰ অসমীয়া চুটিগল্প, উপন্যাস, নাটক সম্পৰ্কে ইতিমধ্যে আপুনি যোৱা ষাণ্মাসিক আৰু এইটো ষাণ্মাসিকৰ এটা অধ্যায়ত অধ্যয়ন কৰিছে। এইটো শাখাৰ বাবেও আপুনি সেইকেইটা অধ্যায় অধ্যয়ন কৰিব। সেয়ে ইয়াত সেই বিষয়ে বহলাই আলোচনা কৰা নহ'ল।

স্বৰাজোত্তৰ কালতহে হিন্দী নাটকৰ সমৃদ্ধশালী পৰ্যায়টো আৰম্ভ হৈছে। জগদীশ চন্দ্ৰ মাথুৰ, ধৰ্মবীৰ ভাৰতী, মোহন ৰাকেশ, লক্ষ্মীনাৰায়ণ লাল, উপেন্দ্ৰ নাথ অশ্‌ক, জ্ঞানদেৱ অগ্নিহোত্ৰী, শম্ভুনাথ মিশ্ৰ, বিষ্ণু প্ৰভাকৰ আদি এই যুগৰ প্ৰধান নাট্যকাৰ। মোহন ৰাকেশৰ *আষাঢ় কা এক দিন* (১৯৫৮), *আধে অধূৰে* (১৯৬৭); ধৰ্মবীৰ ভাৰতীৰ অন্ধযুগ (১৯৫৫) হিন্দী নাটকৰ যুগদৰ্শক বুলিও অভিহিত কৰিব পাৰি। এই নাটক কেইখন ভাৰতৰ বিভিন্ন ভাষালৈ অনূদিত হৈছে আৰু মঞ্চস্থ হৈছে।

প্ৰেমচন্দৰ পৰৱৰ্তী সময়ত, প্ৰধানতঃ স্বাধীনতা লাভৰ পাছত পাশ্চাত্যৰ প্ৰভাৱে হিন্দী উপন্যাসৰ নতুন যুগৰ সূচনা কৰে। ফ্ৰয়েডীয় মনস্তত্ত্বৰ প্ৰভাৱত সৃষ্টি হোৱা উপন্যাস ধাৰাৰ দুজন প্ৰসিদ্ধ লেখক হ'ল জ্ঞানেন্দ্ৰ আৰু অজ্ঞেয়। হিন্দী উপন্যাসত আঞ্চলিক ধাৰাৰ উৎপত্তি আৰু বিকাশ এই সময়ৰ এটি উল্লেখযোগ্য দিশ। ফণীশ্বৰনাথ ৰেণু এই ধাৰাৰ প্ৰধান লেখক। তেওঁৰ *ময়লি আঁচল, পাৰতি পৰিকথা* এই ধাৰাৰ উল্লেখযোগ্য উপন্যাস।

বিংশ শতিকাৰ পঞ্চম দশকৰ পাছত হিন্দী চুটিগল্পই হিন্দী সাহিত্যত 'নয়ী কহানী' আখ্যা লাভ কৰিলে। নীৰাজনা মহন্ত বেজবৰাৰ মতে— 'এইবিলাক গল্পত কোনো নিৰ্দিষ্ট প্ল'টৰ ঠাইত জীৱনৰ কোনো খণ্ডিত চিত্ৰক কলাসুলভ ধৰণেৰে মূৰ্তিমান

কৰি তোলা হৈছে। শিল্পৰ ফালৰ পৰা প্ৰতীক, চিত্ৰকল্প আদি কাব্যসুলভ গুণেৰে পৰিপূৰ্ণ।” এই প্ৰসঙ্গত উল্লেখযোগ্য গল্পকাৰ কেইগৰাকীমানৰ নাম হ’ল — মোহন ৰাকেশ, কমলেশ্বৰ, ৰাজেন্দ্ৰ যাদব, মন্নু ভাণ্ডাৰী, ধৰ্মবীৰ ভাৰতী, ভীষ্ম সাহনী, মাৰ্কেণ্ডীয় বিষ্ণু প্ৰভাকৰ, কমলেশ্বৰ আদি।

দ্বিতীয় বিশ্বযুদ্ধৰ কাৰক আৰু ফলশ্ৰুতি, দেশ বিভাজনৰ সমস্যা, সাম্যবাদৰ চিন্তা, কৃষক আন্দোলন আদি বিভিন্ন বিষয়ে স্বাধীনতাৰ পৰৱৰ্তী কালৰ বাংলা সাহিত্যত বিশেষ গুৰুত্ব লাভ কৰিছিল। এদল বিপ্লৱী ডেকাই চল্লিশৰ দশকতেই ‘ভাৰতীয় গণনাট্য সংঘ’ প্ৰতিষ্ঠা কৰিছিল। সমাজত এই সংঘৰ প্ৰভাৱ লাহে লাহে বৃদ্ধি পাবলৈ ধৰিলে। এই দলটোৱে দেশৰ জমিদাৰ, লাভখোৰ শোষক শ্ৰেণীৰ বিৰুদ্ধে জনসাধাৰণক, বিশেষকৈ শ্ৰমিকসকলক ঐক্যবদ্ধ কৰি এটি নতুন গণ আন্দোলনৰ সূচনা কৰিছিল। অসমৰ হেমাঙ্গ বিশ্বাস, ভূপেন হাজৰিকাকে প্ৰমুখ্য কৰি বহুত প্ৰগতিশীল ব্যক্তিয়ে নিজকে এই আন্দোলনৰ লগত জড়িত কৰিছিল।

স্বাধীনতাৰ পৰৱৰ্তী কালৰ কিছু উল্লেখযোগ্য বাংলা নাটক হ’ল দিগিন্দ্ৰচন্দ্ৰ বন্দ্যোপাধ্যায়ৰ *বাস্তুভিটা* (১৯৪৭), সলিল সেনৰ *নতুন ইহুদী* (১৯৫৩), বাদল সৰকাৰৰ *এবং ইন্দ্ৰজিৎ*, বুদ্ধদেব বসুৰ *তপস্বী ও তৰঙ্গিনী* (১৯৬৬), উৎপল দত্তৰ *মানুষেৰ অধিকাৰে, ৰাইফেল, মহাচীনেৰ পথে* আদি।

স্বাধীনতাৰ পৰৱৰ্তী কালৰ বাংলা উপন্যাসৰ ক্ষেত্ৰত উল্লেখযোগ্য নাম হ’ল বলাইচাঁদ মুখোপাধ্যায়, বিমল কৰ, আশাপূৰ্ণা দেৱী, সমৰেশ বসু, অদ্বৈত মল্লবৰ্মন, কমলকুমাৰ মজুমদাৰ, নৰেন্দ্ৰনাথ মিত্ৰ, নাৰায়ণ গঙ্গোপাধ্যায়, মহাশ্বেতা দেৱী, অতীন বন্দ্যোপাধ্যায়, সুনীল গঙ্গোপাধ্যায় ইত্যাদি। এওঁলোকৰ অধিকাংশই চুটিগল্পৰ ক্ষেত্ৰতো বিশেষ অৰিহণা আগ বঢ়াইছিল।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৭ ঃ** মোহন ৰাকেশে লিখা দুখন উল্লেখযোগ্য নাটকৰ নাম লিখক।

.............................................................................................

.............................................................................................

**প্ৰশ্ন নং ৮ ঃ** স্বাধীনতাৰ পৰৱৰ্তী কালৰ কিছু উল্লেখযোগ্য বাংলা নাটকৰ নাম নাট্যকাৰৰ নামৰ সৈতে উল্লেখ কৰক।

.............................................................................................

.............................................................................................

**প্ৰশ্ন নং ৯ ঃ** *জীৱনৰ বাটত* উপন্যাসখন কোনে লিখিছিল ?

.............................................................................................



## ৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতবৰ্ষ এখন বিশাল দেশ, ইয়াত বিভিন্ন ভাষা-ভাষী মানুহে একতাৰ ডোলেৰে বান্ধ খাই এটি মিশ্ৰ, ঐতিহ্যপূৰ্ণ আৰু বৈচিত্ৰ্যময় সংস্কৃতিৰ গঢ় দিছে। ভাষা-সাহিত্য চৰ্চাই সমাজ জীৱনত যিহেতু এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে, সেয়ে ভাৰতৰ দৰে দেশত প্ৰাদেশিক তথা আঞ্চলিক ভাষাৰ অধ্যয়ন অত্যন্ত জৰুৰী বুলি বিবেচিত হয়। সেয়ে সামগ্ৰিকভাৱে অধ্যায়টোত আধুনিক কালৰ ভাৰতীয় সাহিত্যৰ পটভূমি সম্পৰ্কে আলোচনা কৰা হ'ল।
- ভাৰতত প্ৰচলন থকা সকলোবোৰ ভাষা-সাহিত্য সম্পৰ্কে এটি অধ্যায়ত আলোচনা কৰা সম্ভৱ নহয়। সেয়ে অধ্যায়টোত অসমীয়া, বাংলা আৰু হিন্দী ভাষাক প্ৰতিনিধিত্বমূলকভাৱে নিৰ্বাচিত কৰি গল্প, উপন্যাস আৰু নাট্য সাহিত্যৰ ধাৰা সম্পৰ্কে এটি চমু পৰ্যালোচনা আগ বঢ়োৱা হ'ল। এই আলোচনাত আধুনিক ভাৰতীয় সাহিত্যৰ প্ৰাৰম্ভিক কালৰ পৰা স্বৰাজোত্তৰ কাললৈ সামৰি লোৱা হৈছে।



## ৯.৫ অধিক জানিবলৈ


**অসমীয়া গ্ৰন্থ ঃ**

১) নাথ, প্ৰফুল্ল কুমাৰ (২০০৫); *তুলনামূলক ভাৰতীয় সাহিত্য বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ বনলতা।

২) নেওগ, মহেশ্বৰ (১৯৮৭)*অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) বৰা, দিলীপ (২০১৬); *তুলনামূলক সাহিত্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) বেজবৰা, নীৰাজনা মহন্ত (১৯৯৯) ; *তুলনামূলক ভাৰতীয় সাহিত্য;* ডিব্ৰুগড় ঃ বনলতা।

৫) ভৰালী, শৈলেন (১৯৯৯); *আধুনিক ভাৰতীয় সাহিত্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

**বাংলা গ্ৰন্থ ঃ**

৭) চৌধুরী, ভূদেব (২০০৫); *বাংলা সাহিত্যের ইতিকথা;* কলকাতা ঃ দে'জ পাবলিশিং।

৮) সেন, সুকুমার (২০১৩); *বাংলা সাহিত্যের ইতিহাস;* কলকাতা ঃ আনন্দ পাবলিশার্স।

**হিন্দী গ্ৰন্থ ঃ**

৯) নগেন্দ্ৰ, ড° (১৯৯৭); *হিন্দী সাহিত্য কা ইতিহাস;* নয়দা ঃ ময়ুৰ পেপাৰবেক্স।

১০) গুপ্ত, গনপতিচন্দ্ৰ (২০০৪); *হিন্দী সাহিত্য কা বৈজ্ঞানিক ইতিহাস;* এলাহাবাদ ঃ লোকভাৰতী প্ৰকাশন।

**ইংৰাজী গ্ৰন্থ ঃ**

১১) Sen, S.(1960). *A History of Bengali Language*. New Delhi: Sahitya Akademi.

## ৯.৬ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) হোমেন বৰগোহাঞিঃ।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** বাংলা সাহিত্যৰ প্ৰথম সাৰ্থক উপন্যাসখনৰ নাম *দুৰ্গেশনন্দিনী।* এইখন উপন্যাস লিখিছিল বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ে।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** *সৰস্বতী* আলোচনীত প্ৰকাশিত কিশোৰীলাল গোস্বামীৰ 'ইন্দুমতি' গল্পটোৰ পৰাই হিন্দী চুটিগল্পৰ সূচনা বুলি ধৰা হয়।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** *চোখের বালি (১৯০৩), গোরা (১৯১০)।*

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** (গ) ঐতিহাসিক নাটক।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** *নিৰ্মল ভকত* ৰজনীকান্ত বৰদলৈয়ে লিখা এখন উপন্যাস।

**৭ নং প্ৰশ্নৰ উত্তৰ ঃ** মোহন ৰাকেশে লিখা দুখন উল্লেখযোগ্য নাটক হ'ল — *আষাড় কা এক দিন* (১৯৫৮), *আধে অধূৰে* (১৯৬৭)।

**৮ নং প্ৰশ্নৰ উত্তৰ ঃ** স্বাধীনতাৰ পৰৱৰ্তী কালৰ কিছু উল্লেখযোগ্য বাংলা নাটক হ'ল দিগিন্দ্ৰচন্দ্ৰ বন্দ্যোপাধ্যায়ৰ *বাস্তুভিটা* (১৯৪৭), সলিল সেনৰ *নতুন ইহুদী* (১৯৫৩), বাদল সৰকাৰৰ *এবং ইন্দ্ৰজিৎ*, বুদ্ধদেব বসুৰ *তপস্বী ও তৰঙ্গিনী* (১৯৬৬), উৎপল দত্তৰ *মানুষের অধিকারে, রাইফেল, মহাচীনের পথে* আদি।

**৯ নং প্ৰশ্নৰ উত্তৰ ঃ** *জীৱনৰ বাটত* উপন্যাসখন বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা ছদ্মনামেৰে লিখিছিল ?

## ৯.৭ আৰ্হি প্ৰশ্ন

**বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক —

(ক) *ৰাজৰ্ষী* (১৮৮৭) উপন্যাসখনৰ ঔপন্যাসিকজনৰ নাম লিখক।

(খ) প্ৰথম আধুনিক অসমীয়া নাটকখনৰ নাম কি আৰু কোনে লিখিছিল?

(গ) গল্পকাৰ জয়শঙ্কৰ প্ৰসাদৰ এখন গল্প সংকলনৰ নাম লিখক।

**প্ৰশ্ন ২ ঃ** শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক—

(ক) বাস্তৱতা আৰু সামাজিক চেতনাই প্ৰাক্-স্বাধীনতাৰ কালতে সাহিত্যত প্ৰৱেশ কৰিছিল যদিও স্বৰাজোত্তৰ কালতহে ই সাহিত্যৰ দুটা প্ৰধান বৈশিষ্ট্যৰূপে চিহ্নিত হ'ল।

(খ) অসমীয়া প্ৰথমটো চুটিগল্প চন্দ্ৰপ্ৰসাদ আগৰৱালাই লিখিছিল।

(গ) জ্ঞানেন্দ্ৰ আৰু অজ্ঞেয় বাংলা সাহিত্যৰ বিখ্যাত ঔপন্যাসিক।

**চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** আধুনিক ভাৰতীয় ভাষাৰ পটভূমি সম্পৰ্কে এটি টোকা লিখক।

**প্ৰশ্ন ২ ঃ** চমুটোকা লিখক —

(ক) প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া চুটিগল্প

(খ) স্বৰাজোত্তৰ কালৰ হিন্দী গল্প

(গ) বাংলা উপন্যাসৰ ধাৰা

**ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** উনবিংশ শতিকাৰ বাংলা সাহিত্য সম্পৰ্কে এটি বিস্তৃত আলোচনা আগ বঢ়াওক।

**প্ৰশ্ন ২ ঃ** বিংশ শতিকাৰ প্ৰাক্-স্বাধীনতাৰ কালৰ অসমীয়া আৰু হিন্দী সাহিত্যৰ এটি চমু পৰিচয় দাঙি ধৰক।

**প্ৰশ্ন ৩ ঃ** স্বৰাজোত্তৰ কালৰ অসমীয়া, হিন্দী আৰু বাংলা সাহিত্যৰ বিষয়ে এটি নিবন্ধ যুগুত কৰক।

*** ***** ***